**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-06-2023
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***

১) ভাৰতীয় ৰিজাৰ্ভ বেংক আৰ বি আয়ে আজি চলিত বিত্তীয় বৰ্ষৰ বাবে দ্বিতীয়টো দ্বিমাসিক মুদ্ৰা নীতি ঘোষণা কৰিছে।

২) ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰ ৰাষ্ট্ৰপতি জ' বাইডেনৰ শীৰ্ষ বিষয়া কুৰ্ট কেম্বেলে কৈছে যে, ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত আস্থা আৰু বিশ্বাসৰ স্তৰ এটা দশক পূৰ্বে বৰ্তমানৰ দৰে নাছিল।

৩) বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে কৈছে যে, বিশ্বই ভাৰতক উন্নয়নৰ সহযোগী বুলি গণ্য কৰে আৰু ভাৰতে বিশ্বৰ ধাৰণা পৰিৱৰ্তন কৰাৰ ভূমিকা পালন কৰি আহিছে।

*আৰু*

৪) অষ্ট্ৰেলিয়াই অ'ভেলত চলি থকা বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলৰ আজি দ্বিতীয় দিনা ৩ উইকেটৰ বিনিময়ত কালি সংগ্ৰহ কৰা ৩২৭ ৰানৰ পৰা প্ৰথম ইনিংছৰ খেল আৰম্ভ কৰিব।

০০০০

ভাৰতীয় ৰিজাৰ্ভ বেংক আৰ বি আয়ে আজি চলিত বিত্তীয় বৰ্ষৰ বাবে দ্বিতীয়টো দ্বিমাসিক মুদ্ৰা নীতি ঘোষণা কৰিছে। আৰ বি আয়ে ঘাই ঘাই সুদৰ হাৰসমূহ অপৰিৱৰ্তিত আছে।

মুদ্ৰা নীতি সমীক্ষাৰ কথা ঘোষণা কৰি আৰ বি আইৰ গৱৰ্নৰ শক্তিকান্ত দাসে কয় যে, মুদ্ৰা নীতি কমিটীয়ে ৰেপ'ৰেট অৰ্থাৎ আৰ বি আয়ে বেংকসমূহক প্ৰদান কৰা সুদৰ হাৰ ৫ দশমিক ৬ শতাংশ অপৰিৱৰ্তিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। তেওঁ কয় যে, উপভোক্তা মূল্য সূচ্যাংক আধাৰিত মুদ্ৰাস্ফীতিৰ হাৰ মাৰ্চ-এপ্ৰিল মাহত হ্ৰাস পাইছে। চলিত বিত্তীয় বৰ্ষত মুদ্ৰাস্ফীতিৰ হাৰ ৪ শতাংশৰ অধিক  হৈ থকাৰ সম্ভাৱনা আছে বুলি তেওঁ প্ৰকাশ কৰে। আৰ বি আইৰ গৱৰ্নৰগৰাকীয়ে কয় যে, সকলো কাৰকৰ মূল্যায়ন আৰু বাৰিষা কালৰ স্বাভাৱিক বৰষুণৰ সম্ভাৱনালৈ চাই ২০২৩-২৪ বৰ্ষত মুদ্ৰাস্ফীতিৰ হাৰ ৫ দশমিক ১ শতাংশ হ'ব বুলি অনুমান কৰা হৈছে।

দুহেজাৰ টকীয়া নোট প্ৰত্যাহাৰৰ কথা উল্লেখ কৰি শ্ৰী দাসে কয় যে, নোট প্ৰত্যাহাৰৰ সিদ্ধান্ত ৩ সপ্তাহৰ পাছত দুহেজাৰ টকীয়া নোটৰ প্ৰচলন হ্ৰাস পাইছে আৰু চৰকাৰৰ খৰচ বৃদ্ধিৰ ফলত নগদ ধনৰ প্ৰৱাহো বৃদ্ধি পাইছে।

০০০০

ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰ ৰাষ্ট্ৰপতি জ' বাইডেনৰ শীৰ্ষ বিষয়া কুৰ্ট কেম্বেলে কৈছে যে, ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত আস্থা আৰু বিশ্বাসৰ স্তৰ এটা দশক পূৰ্বে বৰ্তমানৰ দৰে নাছিল। ২১ৰ পৰা ২৪ জুনলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণ সন্দৰ্ভত মত প্ৰকাশ কৰি শ্ৰী কেম্বেলে এইদৰে কয়। ভাৰতৰ সৈতে দ্বিপাক্ষিক সম্পৰ্ক গোলকীয় পৰ্যায়ত আমেৰিকাৰ বাবে অতিকৈ গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰি তেওঁ কয় যে, প্ৰধানমন্ত্ৰী মোদীৰ আসন্ন ভ্ৰমণে দেশ দুখনৰ মাজৰ সম্পৰ্ক অধিক সুদৃঢ় কৰিব। তেওঁ লগতে কয় যে, এই ভ্ৰমণে দুয়ো দেশৰ বাবে বিনিয়োগ আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্কৰ নতুন দুৱাৰ মুকলি কৰিব। ভাৰত-আমেৰিকা জ্ঞান-সহযোগিতা সন্দৰ্ভত শ্ৰী কেম্বেল কয় যে, আমাৰ বিশ্ববিদ্যালয়সমূহে অধিক অভিযন্তা আৰু প্ৰযুক্তিৰ উচ্চ জ্ঞানবিশিষ্ট লোকক প্ৰশিক্ষিত কৰাৰ আৱশ্যকতা আছে। বিশ্বই গোলকীয় পৰ্যায়ত ভাৰতে পালন কৰা গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা স্বীকাৰ কৰিছে বুলি তেওঁ প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইবাৰৰ যাত্ৰাৰ সময়ত আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত ভাষণ দিব। ইয়াৰ লগে লগে শ্ৰী মোদী সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত দ্বিতীয়বাৰ ভাষণ দিয়া প্ৰথমগৰাকী প্ৰধানমন্ত্ৰীৰূপে পৰিগণিত হ'ব। শ্ৰী মোদীক যুটীয়া বৈঠকত ভাষণ দিয়াৰ বাবে জনোৱা আমন্ত্ৰণে আমেৰিকা যুক্তৰাষ্ট্ৰত তেওঁৰ প্ৰতি থকা সন্মান আৰু সমৰ্থনৰ কথাকে প্ৰতিফলিত কৰে।

০০০০

বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰে কৈছে যে, বিশ্বই ভাৰতক উন্নয়নৰ সহযোগী বুলি গণ্য কৰে আৰু ভাৰতে বিশ্বৰ ধাৰণা পৰিৱৰ্তন কৰাৰ ভূমিকা পালন কৰি আহিছে। বিশ্বই সম্প্ৰতি ভাৰতৰ কথা গুৰুত্ব সহকাৰে ল'বলৈ আৰম্ভ কৰিছে বুলি তেওঁ উল্লেখ কৰে। কেন্দ্ৰত মোদী চৰকাৰৰ ৯ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত বিদেশ মন্ত্ৰীগৰাকীয়ে আজি এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, ভাৰতৰ বিদেশ নীতি শেহতীয়াকৈ অধিক প্ৰভাৱশালী, শক্তিশালী আৰু গুৰুত্বপূৰ্ণ হৈ উঠিছে। তেওঁ লগতে কয় যে, অনুন্নত আৰু উন্নয়নশীল দেশৰ গোটসমূহে ভাৰতক বাস্তৱিক পৰিস্থিতিৰ শক্তিশালী ভূমিকা পালন কৰা বিশ্বাসযোগ্য আৰু প্ৰভাৱশালী উন্নয়ন সহযোগী বুলি গণ্য কৰে। বৰ্তমান গোলকীয় পৰ্যায়ত ভাৰতৰ অৰ্থনৈতিক প্ৰভাৱ বৃদ্ধি পাইছে আৰু বিশ্বই এই কথা মানি লৈছে বুলি বিদেশ মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

বিশ্বত ভাৰতৰ বৰ্ধিত মৰ্যাদা সন্দৰ্ভত ড০ জয়শংকৰে কয় যে, ভাৰত জি-টুৱেণ্টী ৰাষ্ট্ৰগোষ্ঠীৰ প্ৰথম অধ্যক্ষ, যিয়ে প্ৰকৃততে অন্য পক্ষৰ সৈতে আলাপ-আলোচনাৰ বাস্তৱিক প্ৰয়াস কৰিছে মানি লৈছে। তেওঁ কয় যে, ভাৰতে ৰাছিয়া-ইউক্ৰেইনৰ মাজৰ যুদ্ধৰ সময়ত নিৰপেক্ষ স্থিতি গ্ৰহণ কৰি আহিছে। তুৰস্কৰ ভূমিকম্প আৰু শ্ৰীলংকাৰ অৰ্থনৈতিক বিপৰ্যয়ৰ সময়ত ভাৰতে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০

জম্মু-কাশ্মীৰৰ ৰাজ্যিক অনুসন্ধান সংস্থা আৰু জম্মু-কাশ্মীৰ আৰক্ষীৰ কাৰ্যবাহী শাখাই সন্ত্ৰাসবাদীলৈ পুঁজি যোগানৰ ঘটনা ৰোধ কৰাত বৃহৎ সাফল্য অৰ্জন কৰিছে। সুৰক্ষা বাহিনীয়ে এতিয়ালৈকে জম্মু-কাশ্মীৰৰ ৮৬টা স্থানৰ ১২৪টা সম্পত্তি, মাটি আৰু অট্টালিকা বাজেয়াপ্ত কৰিছে।

আৰক্ষীৰ মতে তদন্তৰ সময়ত এই সম্পত্তিসমূহ সন্ত্ৰাসবাদমূলক কাম-কাজৰ বাবে ব্যৱহাৰ কৰা কথা পোহৰলৈ আহিছে।

অবৈধ কাৰ্যকলাপ প্ৰতিৰোধ আইনৰ ৮ আৰু ২৫ নম্বৰ ধাৰাৰ অধীনত SIA আৰু আৰক্ষীৰ কাৰ্যবাহী শাখাই এই বাজেয়াপ্ত সম্পত্তিসমূহ জব্দ কৰাৰ বাবে আইনী প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে।

০০০০

কাঠমাণ্ডুত আজিৰ পৰা ১০ জুনলৈ অনুষ্ঠিত আন্তৰ্জাতিক যোগ মহোৎসৱত বাংলাদেশৰ এটা ছজনীয়া যোগ চৰ্চা দলে অংশগ্ৰহণ কৰিছে। তেওঁলোকে দ্বিতীয় মাউণ্ট এভাৰেষ্ট আন্তৰ্জাতিক যোগ চেম্পিয়নশ্বিপ আৰু তৃতীয় দক্ষিণ এছিয়া যোগ ক্ৰীড়া চেম্পিয়নশ্বিপত ভাগ লৈছে। ভাৰত, বাংলাদেশ, নেপাল, ভূটান, পাকিস্তান, আফগানিস্তান, শ্ৰীলংকা আৰু মালদ্বীপকে ধৰি দক্ষিণ এছিয়াৰ ৮ খন দেশে এই যোগ ক্ৰীড়া প্ৰতিযোগিতা দুখনত অংশগ্ৰহণ কৰিছে। নেপাল যোগ আৰু প্ৰাকৃতিক নিদান সংস্থাই এই আন্তঃৰাষ্ট্ৰীয় যোগ চেম্পিয়নশ্বিপৰ আয়োজন কৰিছে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে ২০২২ বৰ্ষৰ প্ৰসাৰ ভাৰতীৰ নিৰ্দেশনা অনুযায়ী কামৰূপ মহানগৰ জিলাৰ বাবে গুৱাহাটীৰ পৰা অংশকালীন সংবাদদাতাৰ আৱেদন বিচাৰিছে। আগ্ৰহী প্ৰাৰ্থীয়ে WWW. NEWSONAIR.GOV.IN ৱেবছাইটত আবেদনৰ বিতং তথ্য জানিব পাৰিব আৰু নিৰ্ধাৰিত প্ৰপত্ৰ ডাউনলোড কৰিব পাৰিব। প্ৰাৰ্থীসকলে স্বপ্ৰত্যায়িত নথি আৰু একপি শেহতীয়া পাছপোৰ্ট আকাৰৰ ফোটোসহ প্ৰ-পত্ৰ জমা দিব লাগিব। প্ৰ-পত্ৰসমূহ - মুৰববী, আকাশবাণী গুৱাহাটী, চানমাৰি, গুৱাহাটী- ৭৮১০০৩ ঠিকনা লিখি আকাশবাণী গুৱাহাটীৰ ড্ৰপবক্সত ২১ জুনৰ আগেয়ে জমা দিব লাগিব।

০০০০

ক্ৰীড়া আৰু যুব পৰিক্ৰমা মন্ত্ৰী অনুৰাগ সিং ঠাকুৰে কালি ভাৰতীয় মল্লযুঁজ সংঘৰ বিদায় অধ্যক্ষ ব্ৰীজভূষণ চৰণ সিঙৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ তদন্ত ১৫ জুনৰ ভিতৰত সম্পূৰ্ণ হ'ব আৰু অভিযোগনামা দাখিল কৰা হ'ব বুলি আশ্বাস দিয়ে। মল্লযোদ্ধাসকলৰ সৈতে হোৱা ৬ ঘণ্টাজোৰা আলোচনাৰ অন্তত দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী ঠাকুৰে কয় যে, ভাৰতীয় মল্লযুঁজ সংঘৰ নিৰ্বাচন ৩০ জুনত অনুষ্ঠিত হ'ব। তেওঁ কয় যে, মল্লযুঁজ সংঘত এগৰাকী মহিলাৰ নেতৃত্বত এখন অভ্যন্তৰীণ অভিযোগ নিস্পত্তি কমিটী গঠন কৰা হ'ব। শ্ৰী ঠাকুৰে কয় যে, মল্লযোদ্ধাসকলৰে হোৱা বৈঠক ইতিবাচক আছিল আৰু সকলো সিদ্ধান্ত সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা হৈছে। তেওঁ কয় যে, মল্লযোদ্ধাসকলৰ বিৰুদ্ধে ৰুজু কৰা সকলো এজাহাৰ প্ৰত্যাহাৰ কৰা হ'ব। মল্লযোদ্ধাসকলে ১৫ জুনৰ পূৰ্বে কোনোধৰণৰ প্ৰতিবাদ সাব্যস্ত কৰাৰ পৰা বিৰত থাকিবলৈ সন্মত হৈছে বুলিও শ্ৰী ঠাকুৰে উল্লেখ কৰে। ব্ৰীজভূষণ চৰণ সিঙৰ বিৰুদ্ধে যৌন আতিশয্য আৰু দুৰ্ব্যৱহাৰৰ অভিযোগ তুলি ভাৰতীয় মল্লযুঁজ সংঘৰ বিদায় অধ্যক্ষগৰাকীৰ গ্ৰেপ্তাৰৰ দাবীত মল্লযোদ্ধাসকলে এমাহৰো অধিক সময়ধৰি ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত প্ৰতিবাদ সাব্যস্ত কৰি আছে।

০০০০০

ফ্রেন্স অ'পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষ আৰু মহিলাৰ ছিংগলছৰ ছেমিফাইনেলত কোন কাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব সেয়া নিশ্চিত হৈছে। সেই অনুসাৰে আজি বিয়লি পেৰিছত হ'বলগীয়া মহিলাৰ ছিংগলছৰ ছেমিফাইনেলত  শীৰ্ষ বাছনিপ্ৰাপ্ত ইগা স্বিয়াটেক  চতুৰ্দশ বাছনিপ্ৰাপ্ত বেইট্ৰিজ হড্ডাড মায়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প'লেণ্ডৰ স্বিয়াটেকে কালি কোৱাৰ্টাৰ ফাইনেলত আমেৰিকাৰ ক'ক' গাফক পৰাভূত কৰি ছেমিফাইনেলত স্থান নিশ্চিত কৰে। একেদৰে মহিলাৰ ছিংগলছৰ আনখন ছেমিফাইনেলত দ্বিতীয় বাছনিপ্ৰাপ্ত আৰ্য়না শ্বৰালেংকা কেৰ'লিনা মুক'ভাৰ সন্মুখীন হ'ব। ইপিনে, পুৰুষৰ ছিংগলছৰ ছেমিফাইনেলত কাইলৈ কাৰ্লছ অলকাৰেজ ন'ভাক জ'ক'ভিছৰ মুখামুখি হোৱাৰ বিপৰীতে  কেছপৰ ৰুড আলেকজেণ্ডাৰ জ্ৰেৰেভৰ সন্মুখীন হ'ব।

০০০০

অষ্ট্ৰেলিয়াই অ'ভেলত চলি থকা বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলৰ আজি দ্বিতীয় দিনা ৩ উইকেটৰ বিনিময়ত কালি সংগ্ৰহ কৰা ৩২৭ ৰানৰ পৰা প্ৰথম ইনিংছৰ খেল আৰম্ভ কৰিব। খেলৰ প্ৰথম দিনা অষ্ট্ৰেলিয়াই সোনকালে ৩টা উইকেট হেৰুওৱাৰ পাছত ষ্টীভ স্মিথ আৰু ট্ৰাভিছ হেডে দলটোক বিপৰ্যয়ৰ পৰা ৰক্ষা কৰে। প্ৰথম দিনৰ খেলৰ অন্তত অষ্ট্ৰেলিয়াৰ ষ্টীভ স্মিথে ৯৫ আৰু ট্ৰাভিছ হেডে ১৪৬ ৰান কৰি খেলি আছিল। ভাৰতৰ হৈ মহম্মদ ছামি, মহম্মদ ছিৰাজ আৰু শ্বাৰ্দুল ঠাকুৰে এটাকৈ উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে ভাৰতে টছত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়।

০০০০

০০০০০

# সমাপ্ত